ASSAM PROJECT ON FOREST & BIODIVERSITY CONSERVATION

AGENCE FRANÇAISE DE DÉVELOPPEMENT

# ৰংপথাৰ গাৰোপাৰা যুটীয়া বন পৰিচালনা সমিতি
# (জে এফ এম চি)

**ৰংজুলি বনাঞ্চলিক, গোৱালপাৰা বন সংমণ্ডল**

**গোৱালপাৰা, অসম**

# ক্ষুদ্ৰ পৰিকল্পনা

**(২০১৭-১৮ৰ পৰা ২০২৬-২৭ লৈ)**

**ৰংপথাৰ গাৰোপাৰা যুটীয়া বন পৰিচালনা সমিতি (JFMC)ৰ দ্বাৰা প্ৰস্তুত**

**সহায়কাৰী**

অসম বন বিভাগ

আৰু

ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কম্পেল', COMPELO)

**[ আই আই ই (IIE) আৰু আৰ জি ভি এন (RGVN) ]**

মে', ২০১৭

OFFICE OF THE DIVISIONAL FOREST OFFICER ★ GOALPARA DIVISION ★

Approved

Divisional Forest Officer
Goalpara Division

# সংক্ষিপ্ত শব্দৰ সম্পূৰ্ণ নামৰ তালিকা

| সংক্ষিপ্ত | সম্পূৰ্ণ নাম |
|---|---|
| এ পি এফ বি চি (APFBC) | বন আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ অসম প্ৰকল্প<br>(আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰভেচন) |
| এ এফ ডি (AFD) | এজেন্সি ফ্ৰেঞ্চাইজি ডি ডেভেলপমেণ্ট |
| বি পি এল (BPL) | দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বিল' পভাৰ্টি লাইন) |
| কম্পেল'<br>(COMPELO) | ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট<br>কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেনচিং লাইভলিহুড অপৰচুনিটিজ |
| ই পি এ (EPA) | প্ৰাৰম্ভিক কাৰ্যসূচী (এণ্ট্ৰি পইণ্ট এক্টিভিটী) |
| জি আই এছ (GIS) | ভৌগোলিক তথ্য ব্যৱস্থা (জিঅ'গ্ৰাফিকেল ইনফৰ্মেচন ছিষ্টেম) |
| এইচ এ (Ha) | হেক্টৰ |
| আই আই ই (IIE) | ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰিনিঅ'ৰশ্বিপ) |
| জে এফ এম চি (JFMC) | যৌথ বন পৰিচালনা সমিতি (জইণ্ট ফৰেষ্ট মেনেজমেণ্ট কমিটী) |
| কে জি (Kg) | কিলোগ্ৰাম |
| কে এম (Km) | কিলোমিটাৰ |
| এন জি অ' (NGO) | অনা চৰকাৰী সংস্থা (ন'ন গভাৰ্নমেণ্টেল অৰ্গেনাইজেছন) |
| এন টি এফ পি (NTFP) | কাঠ ভিন্ন বন উৎপাদন (নন টিম্বাৰ ফৰষ্টে প্ৰডিউচ) |
| পি ডি এছ (PDS) | ৰাজহুৱা বিতৰণ ব্যৱস্থা (পাব্লিক ডিষ্ট্ৰিবিউচন ছিষ্টেম) |
| পি আৰ এ (PRA) | অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়ণ (পাৰ্টিচিপেটৰি ৰুৰেল এপ্ৰাইজেল) |
| আৰ এছ (Rs.) | ভাৰতীয় টকা (ইণ্ডিয়ান ৰুপিজ) |
| এছ এইচ জি (SHG) | আত্মসহায়ক গোট (ছেল্ফ হেল্প গ্ৰুপ) |
| ভি চি ডি চি (VCDC) | গাঁও সংসদ উন্নয়ন সমিতি (ভিলেজ কাউন্সিল ডেভেলপমেণ্ট কমিটী) |

# ৰংপথাৰ যুটীয়া বন পৰিচালনা সমিতি
## গোৱালপাৰা বন সংমণ্ডল

## ক্ষুদ্ৰ পৰিকল্পনা ১০ বছৰৰ বাবে
## জীৱিকা উন্নয়ন পৰিকল্পনা আৰু বন উন্নয়ন পৰিকল্পনা

<u>সূচীপত্ৰ</u>


| ক্ৰমিক নং | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ১ | ভূমিকা | ১ |
| ২ | গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা | ২-৫ |
| ৩ | জীৱিকাৰ সুবিধা বিশ্লেষণ | ৫-১০ |
| ৪ | জীৱিকা উন্নয়ন পৰিকল্পনা | ১০ |
| ৫ | বন উন্নয়ন পৰিকল্পনা | ১১-২২ |
| ৬ | পৰিশিষ্টৰ তালিকা<br>— জীৱিকা সৃষ্টি কাৰ্যসূচীৰ বাবে চিহ্নিত কৰা হিতাধিকাৰীৰ তালিকা<br>১। পশুধন | ২৩-৪৮ |

## ১। ভূমিকা

| | |
|---|---|
| **প্ৰকল্পটোৰ সম্পৰ্কে** | অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প (আছাম প্ৰজেক্ট অন বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন)ৰ (এ পি এফ বি চি) উদ্দেশ্য হৈছে— নিৰ্দিষ্ট এলেকাৰ বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সম্প্ৰদায়সমূহৰ অংশগ্ৰহণ আৰু বনজ আৰু বনজবহিৰ্ভূত স্থিতিশীল ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱিকা সুনিশ্চিত কৰিবলৈ বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে বহুমুখী সুসংহত পৰিকল্পনাৰ দ্বাৰা অসমত স্থিতিশীল বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিচালনৰ ব্যৱস্থা কৰা। প্ৰকল্পটোৰ লক্ষ্য হৈছে— 'বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সম্প্ৰদায়সমূহৰ সহযোগত তেওঁলোকৰ জীৱিকা আৰু জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু স্থিতিশীল ব্যৱহাৰৰ জৰিয়তে বনাঞ্চল সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰক পুনৰুদ্ধাৰ কৰা।'<br><br>উপৰ্য্যুক্ত প্ৰকল্পলৈ বিত্তীয় সাহায্য আগবঢ়াইছে এজেন্স ফ্ৰান্স ডি ডেভেলপমেণ্ট (এফ ডি) অৰ্থাৎ ফ্ৰেঞ্চ ডেভেলপমেণ্ট এজেন্সি। অসম চৰকাৰেও সহযোগী হিচাপে আৰ্থিক অনুদান আগবঢ়াইছে। প্ৰকল্পটোৰ পৰিকল্পনা, ৰূপায়ণ, পৰ্যবেক্ষণ, সমন্বয় আৰু ব্যৱস্থাপনাসহ সকলো কামৰ দায়িত্বত আছে আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটি কনজাৰভেচন ছোচাইটি। |
| **ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন** | বজাৰৰ সম্ভাৱনীয়তাভিত্তিক মূল্য সংযোজনৰ জৰিয়তে জীৱিকাৰ কাম-কাজ উন্নত কৰিবলৈ প্ৰকল্পটোত উদ্যোগমূলক বিকাশ, উৎপাদিত সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণৰ জৰিয়তে মূল্য সংযোজন আৰু বিপণনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদ ওপৰত বৃদ্ধি পোৱা হেঁচাৰ পৰিপ্ৰেক্ষিতত এনে পদক্ষেপ জৰুৰী হৈ পৰিছে। বজাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানে উপলব্ধ বনজ আৰু জৈৱ-বৈচিত্ৰ্য সামগ্ৰী আৰু সেৱাসমূহত মূল্য সংযোজনৰ উপায় উদ্ভাৱন কৰাটো প্ৰয়োজন হৈ পৰিছে। তদুপৰি, বনাঞ্চলভিত্তিক জীৱিকাৰ বাহিৰে জীৱিকাৰ অন্য পথ বিচাৰি উলিওৱা আৰু দক্ষতা বিকাশ পদক্ষেপৰ জৰিয়তে সম্প্ৰদায়ৰ সদস্যসকলৰ সক্ষমতা বৃদ্ধি কৰাও দৰকাৰ।<br>প্ৰকল্পটোৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়নৰ কাৰ্যসূচী ৰূপায়ণৰ বাবে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্টাৰপ্ৰিনিয়ৰশ্বিপ, আই আই ই), গুৱাহাটী আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন) আৰু 'চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেন্স এণ্ড লাইভলিহুড' (চি এম এল)ক লৈ এখন সমিতি গঠন কৰা হৈছে। এই সমিতিখনৰ নাম দিয়া হৈছে— ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)' চমুকৈ কম্পেল'।<br>প্ৰকল্পটোৰ নিৰ্দেশনা মতে এই ক্ষুদ্ৰ পৰিকল্পনাত অন্তৰ্ভুক্ত হৈ আছে 'গাঁও আৰু বন বিভাগৰ বিভিন্ন অভিযান আৰু বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সদস্যক জীৱিকাৰ ক্ষেত্ৰত সহায় কৰা আৰু স্থিতিশীল বন ব্যৱস্থাপনাক এক প্ৰসাৰিত লক্ষ্য হিচাপে গণ্য কৰা।' বন উন্নয়ন আৰু জীৱিকা উন্নয়ন উভয় লক্ষ্যকে এই প্ৰকল্পত সামৰি লোৱা হৈছে। |
| **ৰংপথাৰ জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা** | অসমৰ গোৱালপাৰা জিলাত অৱস্থিত ৰংপথাৰ জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা এই নথিত প্ৰকাশ কৰা হৈছে। এই ৰংপথাৰ জে এফ এম চি গোৱালপাৰা বন সংমণ্ডলৰ অধীনস্থ ৰংজুলি বনাঞ্চলিকত অৱস্থিত। সম্প্ৰদায়ৰ ৰূপৰেখা পৰৱৰ্তী শাখাত দিয়া হৈছে। বৰ্তমান ক্ষুদ্ৰ পৰিকল্পনা সম্প্ৰদায়ৰ পুৰুষ আৰু মহিলাসহ সকলো সদস্যৰ অংশগ্ৰহণৰ জৰিয়তে প্ৰস্তুত কৰা হৈছে। ২০১৭ চনৰ ফেব্ৰুৱাৰী মাহত গুৱাহাটীৰ ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠা (আই আই ই)ৰ বিষয়া আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ দ্বাৰা অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়ণৰ ফল হিচাপেই এই নথি প্ৰস্তুত হৈছে। প্ৰকল্প নিৰ্দেশিকাৰ ভিত্তিত চি এম এলৰ দ্বাৰা ক্ষুদ্ৰ পৰিকল্পনা যুগুতোৱা হৈছে। জুন, ২০১৭ তাৰিখে গৃহীত কৰাৰ বাবে এই নথি আলোচনা কৰি চূড়ান্ত কৰা হৈছে। |

## ২। গাঁৱৰ আৰ্থ-সামাজিক বিৱৰণ

**অৱস্থিতি**

আমজংগা সংৰক্ষিত বনাঞ্চলৰ সীমাত অৱস্থিত ৰংপথাৰ-গাৰোপাৰা গাঁৱক সামৰি ৰংপথাৰ গাৰোপাৰা যুটীয়া বন পৰিচালনা সমিতি (জে এফ এম চি) গঠন কৰা হৈছে। উপৰোক্ত জে এফ এম চিয়ে আগুৰা এলেকা অসমৰ গোৱালপাৰা জিলাৰ দুধনৈ ৰাজহ চক্ৰৰ অন্তৰ্গত।

**পৰিশিষ্ট-১-ত গাঁৱৰ মানচিত্ৰ দিয়া হৈছে।**

**মূল তথ্য**

জে এফ এম চিৰ মূল তথ্য তলত উল্লেখ কৰা হ'ল।

**তালিকা-ক ঃ জে এফ এম চিৰ মূল তথ্য**

| | |
|---|---|
| **জে এফ এম চিৰ নাম** | ৰংপথাৰ গাৰোপাৰা |
| **বসতি** | গাৰো |
| **ৰাজহ গাঁও** | ৰংপথাৰ গাৰোপাৰা |
| **গাঁও পঞ্চায়ত/ভি চি ডি চি** | পুৰণিভিঠা |
| **ৰাজহ চক্ৰ** | দুধনৈ |
| **জিলা** | গোৱালপাৰা |
| **বন সংমণ্ডল** | গোৱালপাৰা |
| **বন আঞ্চলিক** | ৰংজুলি |
| **বন লাট** | আমজংগা |
| **গঠনৰ বছৰ** | ২০১৫ |
| **জে এফ এম চিৰ চাৰিসীমা** | উত্তৰ ঃ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ<br>পুব ঃ কাছদলগাঁও<br>পশ্চিম ঃ পুৰণিভিঠা<br>দক্ষিণ ঃ মেঘালয় সীমা |

**উৎস ঃ** জে এফ এম চিৰ তথ্য

**কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ**

জে এফ এম চিৰ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ তলৰ তালিকাত দিয়া হ'ল।

**তালিকা-খ ঃ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ**

| | |
|---|---|
| সভাপতিৰ নাম | নেপোলিয়ন মাৰাক |
| সদস্য সচিবৰ নাম | খগেন কলিতা |
| কোষাধ্যক্ষৰ নাম | ডিয়ানচন চাংমা |
| কাৰ্যকৰী সমিতিৰ সদস্য সংখ্যা | ১১ (পুৰুষ ঃ ৮, মহিলা ঃ ৩) |
| সাধাৰণ সমিতিৰ সদস্য সংখ্যা | ৯৪ (প্ৰতিটো পৰিয়ালৰ এগৰাকীকৈ পুৰুষ-মহিলা) |

**উৎস ঃ** জে এফ এম চিৰ নথি।

| | |
|---|---|
| **পৰিয়াল আৰু জনসংখ্যা গাঁথনি** | ৰংপথাৰ গাঁৱক লৈ গঠিত জে এফ এম চিত মুঠ পৰিয়ালৰ সংখ্যা ৯৪। **তথ্য ঃ ১ তালিকা-২ত** এই সংক্ৰান্তত অধিক তথ্য দিয়া হৈছে।<br>ইয়াৰ পৰা এইটো পোৱা যায় যে ঃ<br>১। পৰিয়ালৰ গড় সদস্য সংখ্যা ৫.৭৬<br>২। গাঁওখনৰ লিংগানুপাত হৈছে প্ৰতি ১০০০জন পুৰুষৰ বিপৰীতে ৮৬২গৰাকী মহিলা। |
| **শিক্ষা আৰু দক্ষতা বিকাশ** | জনসংখ্যাৰ ৮০ শতাংশতকৈ অধিক সাক্ষৰ বুলি তথ্য পোৱা গৈছে। ইয়াৰে ৫৫.৬ শতাংশই প্ৰাথমিক শিক্ষা সমাপ্ত কৰাৰ বিপৰীতে ২৫ শতাংশই উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষা লাভ কৰিছে আৰু ০.৮৫ শতাংশ স্নাতক।<br>শিশুসকলে প্ৰাথমিক শিক্ষা গ্ৰহণৰ বাবে ইয়াত এখন প্ৰাথমিক বিদ্যালয় আছে। প্ৰাথমিক শিক্ষাৰ পিছত শিশুসকল মেঘালয় (৫ কিঃমিঃ) আৰু ডামৰালৈ (২০ কিঃমিঃ) যাবলগীয়া হয়। উচ্চতৰ মাধ্যমিক আৰু কলেজ মেন্দিপথাৰ (৫০ কিঃমিঃ)ত অৱস্থিত। স্নাতকোত্তৰ শিক্ষাৰ বাবে লোকসকল তুৰা (২০০ কিঃমিঃ) আৰু ছিলঙলৈ যাবলগীয়া হয়।<br>জীৱিকা দক্ষতা সাধাৰণতে বিভিন্ন প্ৰকাৰত উপলব্ধ— আনুষ্ঠানিক আৰু অনানুষ্ঠানিক। জে এফ এম চি এলেকাত, দক্ষতা উন্নয়নৰ অনানুষ্ঠানিকৰ অৰ্থ হ'ল পৰম্পৰাগত পদ্ধতি। জনসাধাৰণৰ নিম্নোক্ত ক্ষেত্ৰসমূহত পৰম্পৰাগত দক্ষতা আছে।<br>ক) পশুপালন<br>খ) কৃষি<br>গ) বয়ন<br>সমগ্ৰ দেশৰ লগতে ৰাজ্যখনতো আনুষ্ঠানিক দক্ষতা উন্নয়ন কাৰ্যসূচী প্ৰসাৰৰ বাবে চৰকাৰে সক্ৰিয় ভূমিকা পালন কৰি আহিছে। বসতি অঞ্চল বা ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত এই ধৰণৰ কোনো কৰ্মসূচী ৰূপায়ণৰ জৰিয়তে গাঁওখন উপকৃত হোৱা বুলি জানিব পৰা হোৱা নাই। |
| **ভূমি** | প্ৰকল্প এলেকাৰ মাটিৰ প্ৰকাৰ হ'ল মূলতঃ নৈয়ে পলস পেলোৱা আৰু ইয়াত আছে বালিমিশ্ৰিত মাটি, বালিঅঁহীয়া আৰু বোকা মাটি। মাটি বৰ সাৰুৱা। হিমালয়ান আৰ্দ্ৰ মিশ্ৰিত ঋতুকালীন বন। |
| **পানী** | এই বনাঞ্চল এলেকাত বহুকেইটা নলা আৰু ঋতুকালীন জান-জুৰি আছে। পানীৰ তালিকা তুলনামূলকভাৱে উচ্চ। |
| **জলবায়ু ঃ উষ্ণতা আৰু বৰষুণ** | বাৰ্ষিক গড় বৰষুণৰ পৰিমাণ গোটেই বছৰটোত ভিন্ন হয়— ১৪৪০.৪ মিঃমিঃৰ পৰা ২১৮৯.৩ মিঃমিঃ। মাহ ভিত্তিক বৰষুণৰ দিন ০-২০লৈ বেলেগ বেলেগ হয়। জুলাই মাহত আটাইতকৈ বেছি বৰষুণৰ দিন হয়। নৱেম্বৰ, ডিচেম্বৰ, জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহত আটাইতকৈ কম বৰষুণ হয়।<br>তাপমাত্ৰা ২২°-৩৯.১° চেলচিয়াছলৈ হয়। |

| | |
|---|---|
| **বন আৰু জৈৱ-বৈচিত্ৰ্য** | অঞ্চলটোত শাল আৰু ইয়াৰ সহযোগী প্ৰজাতিসমূহ প্ৰাকৃতিকভাৱে উৎপন্ন হয়। বিভিন্ন প্ৰজাতি যেনে ভিটেক্সপেডুনকুলাৰিচ, শ্বৰিয়াৰেবুষ্টা, হলাৰেনানটিডী ছেণ্টেৰিকা, মেলিনা আৰ্বোৰিয়া, ছিজিজিয়াম কুমিনি, গাৰুগাপিন্নাটা, এমলিকাওফিচিনেলিছ, এৰিথ্ৰিনাভেৰিয়েগাটা, ষ্টেৰ্কুলিয়াভিল'ছা, এষ্ট'নিয়া স্কলাৰিছ কাছিছ ফিষ্টুলা আদি জে এফ এম চিৰ বনাঞ্চলত পোৱা যায়। এই বনাঞ্চলত বিভিন্ন এন টি এফ পি যেনে শাক-পাচলি, ঔষধি উদ্ভিদ, বাঁহ, খেৰ আদিও উৎপাদন কৰিব পাৰি।<br>এই সম্পৰ্কীয় অতিৰিক্ত তথ্য 'বনোন্নয়ন পৰিকল্পনা'ত দিয়া হৈছে। |
| **ভূমি ব্যৱহাৰৰ ধৰণ** | গাঁৱৰ ভূমি ব্যৱহাৰৰ ধৰণ পৰিশিষ্ট-২ত দিয়া হৈছে। এই পৰিশিষ্ট অনুসৰি গাঁৱৰ ভূমি ব্যৱহাৰৰ নিম্নোক্ত ধৰণ দেখা গৈছে ঃ<br>* পতিত ভূমি ০.৭৫%<br>* বনাঞ্চল ৯.৮৫%<br>* গাঁওবাসীৰ দ্বাৰা মিশ্ৰিত ৰোপণ ১১.১৬%<br>* ধাননি পথাৰ ৫৯.২৫%<br>* পথ ১.৯৫%<br>* সংস্থাপিত এলেকা ১৭.৪০% |
| **ভূমি মালিকানা** | প্ৰতিটো পৰিয়ালৰ ভূমি ধাৰণৰ ধৰণ **নথি-(I)ৰ তালিকা-৩ত** উল্লেখ কৰা হৈছে। এই তালিকাৰ পৰা তলৰ তথ্যসমূহ পোৱা যায় ঃ<br>* ভূমিহীন পৰিয়াল ১১.৭০%<br>* উপান্ত কৃষক ৬৪.৮৯%<br>* ধনী কৃষক ৯.৫৭% |
| **পশুধন** | গাঁওখনত পশুধনৰ মুঠ ১২৭৬টা। পৰিয়ালসমূহে প্ৰতিপালন কৰা ঘাই ঘাই পশুধন হৈছে ঃ<br>* গাইগৰু ঃ ২৭৬<br>* ছাগলী ঃ ৬৬<br>* গাহৰি ঃ ১৩২<br>* কুকুৰা ঃ ৩৪৫<br>উপৰোক্ত বিষয়ত বিতংভাৱে **তথ্য-(I)ৰ তালিকা-৪ত** উল্লেখ কৰা হৈছে। |
| **গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা** | যিকোনো জনগোষ্ঠীৰ বাবে মৌলিক আন্তঃগাঁথনিৰ পৰ্যাপ্ততাই জীৱিকাৰ স্থিতিশীল উপায়ৰ উন্নয়নত সহায় কৰে। গাঁৱত আন্তঃগাঁথনিৰ বৰ্তমানৰ অৱস্থা সন্তোষজনক নহয়। গাঁৱৰ আন্তঃগাঁথনিৰ বৰ্তমান অৱস্থা সম্পৰ্কে বিতংভাৱে **তথ্য-(I)ৰ তালিকা-৫ত** উল্লেখ কৰা হৈছে।<br>**বাস্তৱিক আন্তঃগাঁথনি ঃ** গাঁৱলৈ তিনি কিঃমিঃ দূৰত্ব, পথ যোগাযোগ অতি শোচনীয়। পথটো কেঁচা।<br>**শিক্ষা আৰু স্বাস্থ্য সেৱা ঃ** গাঁৱত এখন প্ৰাথমিক বিদ্যালয় আছে, য'ত শিশুসকলে প্ৰাথমিক শিক্ষা লাভ কৰে। নিম্ন প্ৰাথমিকৰ পিছত শিশুসকলে বহু দূৰত্ব অতিক্ৰম কৰিবলগা হয় মেঘালয় (৫ কিঃমিঃ) আৰু ডমৰালৈ (২০ কিঃমিঃ)। উচ্চতৰ মাধ্যমিক কলেজ মেন্দিপথাৰত (৫০ কিঃমিঃ)। স্নাতকোত্তৰ শিক্ষালাভৰ বাবে যাবলগীয়া হয় |

| | |
|---|---|
| | তুৰা (২০০ কিঃমিঃ) আৰু ছিলঙলৈ।<br>গাঁৱৰ ভিতৰত কোনো সামূহিক স্বাস্থ্য কেন্দ্ৰ নাই। গাঁওবাসীয়ে স্বাস্থ্য সেৱাৰ বাবে ৯ কিঃমিঃ দূৰত্বৰ দুধনৈলৈ যাবলগীয়া হয়।<br>**চৰকাৰী কাৰ্যালয় ঃ** সকলো চৰকাৰী কাৰ্যালয় গাঁৱৰ বাহিৰত। বন লাট কাৰ্যালয় আৰু ডাকঘৰ ৩ কিঃমিঃ দূৰত্বৰ আমজংগাত। গাঁও পঞ্চায়ত কাৰ্যালয় ৮ কিঃমিঃ দূৰত্বৰ পুৰণিভিঠাত।<br>**বিত্তীয় প্ৰতিষ্ঠান ঃ** বেংকৰ দৰে বিত্তীয় সুবিধা গাঁৱৰ পৰা ৯ কিলোমিটাৰ দূৰৈত দুধনৈত অৱস্থিত। |
| **কৃষিশস্য** | গাঁৱত উৎপাদিত কৃষিজাত শস্যৰ বিতং তথ্য **নথি-(I)ৰ তালিকা-৬**ত দিয়া হৈছে।<br>গাঁৱত উৎপাদিত মূল শস্যসমূহ তলত দিয়া ধৰণৰ ঃ<br>**খাৰিফ শস্য ঃ** ৰঞ্জিৎ, ধান, হালধি, আদা<br>**ৰবিশস্য ঃ** শাক-পাচলি<br>**অন্যান্য ঃ** কল, মধুৰিআম, মাটিকঁঠাল, জাম, নেমু আদি। |
| **শস্য উৎপাদনৰ বিৱৰণ** | গাঁৱত শস্যৰ উৎপাদন আৰু তাৰ পৰিমাণ **নথি-(I)ৰ তালিকা-৭**ত উল্লেখ কৰা হৈছে।<br>বেছিসংখ্যক পৰিয়ালেই ধানখেতিৰ লগত জড়িত।<br>উৎপাদন হাৰ তলত দিয়া হ'ল ঃ<br>কে) ধান ঃ উৎপাদন ৮০০ কুইণ্টল; উৎপাদন হাৰ ১৮ কুইণ্টল প্ৰতি হেক্টৰ। |
| **পশুখাদ্যৰ পৰ্যাপ্ততা** | গাঁওখনত পশুখাদ্যৰ পৰ্যাপ্ততা **নথি-(I)ৰ তালিকা-৮**ত উল্লেখ কৰা হৈছে। এই তথ্যৰ পৰা দেখা যায় গাঁৱৰ পশুখাদ্যৰ প্ৰধান উৎসবোৰ নিম্নৰূপ ঃ<br>* শস্যৰ অৱশিষ্টাংশ<br>* বনাঞ্চলৰ পশুচাৰণ<br>* পৰিয়ালৰ পেলনীয়া বস্তু<br>* সেউজ খাদ্য |
| **বজাৰ** | গাঁৱৰ পৰা বিভিন্ন বজাৰৰ দূৰত্ব **নথি-(I)ৰ তালিকা-৯**ত উল্লেখ কৰা হৈছে। সম্প্ৰদায়ে ব্যৱহাৰ কৰা প্ৰধান বজাৰসমূহ আৰু জে এফ এম চিৰ পৰা দূৰত্ব তলত উল্লেখ কৰা হ'ল ঃ<br>* গেলামাল/সুলভ মূল্যৰ দোকান গাঁৱৰ পৰা প্ৰায় ৩ কিলোমিটাৰ দূৰৈত আমজংগাত।<br>* সাপ্তাহিক/অৰ্ধ-সাপ্তাহিক বজাৰ প্ৰায় ৩ কিলোমিটাৰ দূৰৈত আমজংগাত।<br>* প্ৰধান বজাৰ ঃ দুধনৈ, ৯ কিলোমিটাৰ দূৰৈত |
| **জল সম্পদ** | **নথি-(I)ৰ তালিকা-১০**ত জলসম্পদৰ তথ্য দিয়া হৈছে। পানীৰ প্ৰধান উৎসবোৰ আৰু পানীৰ পৰ্যাপ্ততা নিম্নৰূপ ঃ<br>* কেঁচা কুঁৱা ঃ পানীৰ পৰ্যাপ্ততা ঋতুকালীন |

| | |
|---|---|
| **শক্তিৰ ব্যৱহাৰ** | গাঁওখনত শক্তিৰ ঘাই ঘাই উৎসবোৰ **নথি-(I)ৰ তালিকা-১১ত** দেখুওৱা হৈছে। তালিকাত উল্লিখিত তথ্য নিম্নৰূপ ঃ<br>ক) কাঠখৰি ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৮২টা, উৎস ঃ বনাঞ্চল, নিজা বাৰী<br>খ) কেৰাচিন ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৯৪টা (চাকি-লেম্প জ্বলোৱা, ইন্ধন), উৎস ঃ মুকলি বজাৰ আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থা |
| **আৰ্থ-সামাজিক স্থিতি** | **সামাজিক গাঁথনি ঃ** গাঁৰৰ বাসিন্দাসকল জনজাতি শ্ৰেণীৰ। সমাজত সামগ্ৰিকভাৱে গভীৰ জাত-পাতৰ বিভাজন নাই। মহিলাসকলৰ অৱস্থা সন্তোষজনক।<br>**অৰ্থনৈতিক অৱস্থা ঃ** গাঁওবাসীৰ প্ৰায় ৪৫ শতাংশৰে উপাৰ্জনৰ মূল উৎস হ'ল দিন মজদুৰি। মাত্ৰ কিছুসংখ্যকহে চাকৰি ক্ষেত্ৰত জড়িত। এওঁলোক শিক্ষক, স্বাস্থ্য বিভাগ, প্ৰতিৰক্ষা বিভাগ আদিত নিয়োজিত।<br>অনা-কৃষি ক্ষেত্ৰৰ ভিতৰত কাঠমিস্ত্ৰী, ৰাজমিস্ত্ৰী, পশুপালন আদি। |
| **মানচিত্ৰ** | অংশগ্ৰহণমূলক (পি আৰ এ) অনুশীলনৰ ভিত্তিত প্ৰস্তুত কৰা তলৰ মানচিত্ৰসমূহ পৰিশিষ্ট-১ত সন্নিৱিষ্ট কৰা হৈছে।<br>* গাঁৰৰ মানচিত্ৰ<br>* গাঁৰৰ সামাজিক মানচিত্ৰ (পি আৰ এ অনুশীলনৰ সদস্যৰ নাম আৰু সবিশেষ)<br>* গাঁৰৰ সম্পদ মানচিত্ৰ |

## ৩। জীৱিকাৰ সুবিধা বিশ্লেষণ

| | |
|---|---|
| **পি আৰ এ অনুশীলন** | গুৱাহাটীৰ আই আই ইৰ দলে ৰংপথাৰ জে এফ এম চিত অনুষ্ঠিত কৰা পি আৰ এ অনুশীলন তলত উল্লেখ কৰা হ'ল ঃ<br>**তাৰিখ ঃ** ০১-০৩-২০১৭<br>**স্থান ঃ** ৰংপথাৰ প্ৰাথমিক বিদ্যালয়, ৰংপথাৰ<br>**উপস্থিত লোকৰ সংখ্যা ঃ** ৫০<br>**উপস্থিত থাকে ঃ** জে এফ এম চিৰ বিষয়ববীয়াসকল, গাঁওবুঢ়া, সম্প্ৰদায়ৰ সদস্যসকল, বন বিভাগৰ কৰ্মচাৰীসকল আদি। |
| **পি আৰ এৰ উদ্দেশ্য** | অনুশীলনৰ নিৰ্দিষ্ট উদ্দেশ্যসমূহ আছিল পৰিয়ালৰ বৰ্তমানৰ অৱস্থা অধ্যয়ন আৰু সম্প্ৰদায়ৰ অন্যান্য প্ৰাথমিক তথ্য লাভ কৰা, জীৱিকাৰ পদ্ধতি উন্নয়ন আৰু বনোন্নয়ন পৰিকল্পনাৰ বাবে। |
| **পি আৰ এত ব্যৱহৃত সা-সৰঞ্জাম আৰু জ্ঞাত তথ্য** | বিভিন্ন সৰঞ্জাম ব্যৱহাৰ কৰা হয় আৰু ইয়াৰ পৰা ফলাফল লাভ কৰা হয়। ইয়াৰ ভিতৰত ঃ<br>* সামাজিক মানচিত্ৰায়ন<br>* সম্পদ মানচিত্ৰায়ন<br>* সম্পদৰ স্থানাংক নিৰ্ধাৰণ<br>* জীৱিকাৰ ঋতুকালীন আৰু<br>* ভেন ডায়েগ্ৰাম<br>**পৰিশিষ্ট-৩-ত** বিতংভাৱে উল্লেখ কৰা হৈছে |
| **স্থানাংক** | নিম্নোক্ত বিষয়বোৰৰ বাবে স্থানাংক নিৰ্ধাৰণ কৰা হৈছে ঃ<br>*** জীৱিকা আৰু দক্ষতা উন্নয়ন**<br>*** প্ৰাৰম্ভিক কাম-কাজ (ই পি এ)**<br>ওপৰৰ বিষয়বোৰ **পৰিশিষ্ট-৩-ত** বিতংভাৱে উল্লেখ কৰা হৈছে । এইবোৰ বিষয় এনেধৰণৰ ঃ<br>**জীৱিকা আৰু দক্ষতা উন্নয়নৰ স্থানাংক**<br>১। পশুপালন<br>২। বয়ন<br>৩। বাঁহ-বেতৰ শিল্প<br>৪। চিলাই<br>৫। কাঠমিস্ত্ৰী<br>৬। ৰাজমিস্ত্ৰী |

**ই পি এ-ৰ স্থানাংক**

| ক্রমিক নং | স্থানাংক অনুসাৰে গাঁৱৰ ই পি এ | বিতং বিৱৰণ (পৰিশিষ্ট-৩-ত অতিৰিক্ত তথ্য দিয়া হৈছে) | পুঁজিৰ সম্ভাৱনীয় উৎস/বিভাগ |
|---|---|---|---|
| ১ | সামূহিক কেন্দ্র | ৪০x৩০ ফুটৰ প্লেটফৰ্ম আৰু ভঁৰাল ঘৰ | এপিএফবিচিৰ পৰা ই পি এ |
| ২ | খোৱাপানী | অতিকমেও চাৰিটা কুঁৱা | এপিএফবিচি/এন আৰডব্লিউপি |
| ৩ | কালভাৰ্ট | গাঁও সংযোগী পথত চাৰিটা | পি ডব্লিউ ডি |
| ৪ | অনাময় | পৰিয়াল লেট্রিন প্রদান- কম দাম, ছেপ্টিক আৰু ছেনিটাৰী | স্বচ্ছ ভাৰত মিছন/ পি এইচ ই |
| ৫ | বিদ্যুৎ যোগান | প্রতিটো পৰিয়ালক অবিৰত | এএছইবি/এপিডিচি |
| ৬ | স্বাস্থ্য কেন্দ্র | গাঁৱৰ ভিতৰত স্বাস্থ্য কেন্দ্র | পি এইচ চি |

**জীৱিকাৰ সুবিধাসমূহ**

জীৱিকাৰ সুবিধাসমূহ তলত দিয়াৰ দৰে চিনাক্ত কৰা হৈছে ঃ

পশুপালন

কৃষি আৰু উদ্যানশস্য

এন টি এফ পি

দক্ষতা উন্নয়ন

ঋণ সবিধা

**কৃষি আৰু উদ্যানশস্য**

কৃষি আৰু উদ্যানশস্যৰ ক্ষেত্রত সুযোগসমূহৰ বিষয়ে **নথি ঃ ২ৰ তালিকা ঃ ১২ত** দেখা যাব।

প্রধান বাধাবোৰ হৈছে ঃ

(ক) সাৰ, কীটনাশক-পতংগনাশক দৰৱৰ অতি কম ব্যৱহাৰ।

(খ) জলসিঞ্চন ব্যৱস্থাৰ অভাৱ।

(গ) কৃষি আন্তঃগাঁথনি, পাৱাৰটিলাৰ, ট্রেক্টৰ আদিৰ দৰে আধুনিক যন্ত্রপাতি-সা-সুঁজলিৰ অভাৱ।

(গ) অধিক উৎপাদনশীল বীজ আদি ব্যৱহাৰ নকৰা

সুযোগসমূহ

ক) যথোপযুক্ত আৰু নিয়ন্ত্রিতভাৱে কীটনাশক আৰু পতংগনাশক দৰৱৰ প্রয়োগ।

খ) নতুন আৰু অত্যাধুনিক প্রযুক্তিৰ ব্যৱহাৰ।

গ) সু-সংগঠিত প্রশিক্ষণ কৰ্মসূচী। খেতি কামৰ দক্ষতা গাঁওবাসীয়ে পৰম্পৰাগতভাৱে আহৰণ কৰিছে। তেওঁলোকৰ সকলোৰে দক্ষতাৰ পৰ্যায় উন্নত কৰা দৰকাৰ।

পৰামৰ্শমূলক কৰ্মসূচীসমূহ হৈছে ঃ

* ট্রেক্টৰ চলোৱাৰ প্রশিক্ষণ
* কৃষি-দক্ষতা উন্নয়ন কৰ্মসূচী
* কীটনাশক, পতংগনাশক, সংকৰ প্রজাতিৰ শস্যৰ খেতি আদি সম্পৰ্কে প্রশিক্ষণ

| | |
|---|---|
| **পশুধন** | পশুধন পালন-প্ৰজননৰ সুযোগ সম্পৰ্কে অধিক তথ্য **নথি-২ৰ তালিকা-১৩ত** দিয়া হৈছে।<br>প্ৰধান বাধাবোৰ হৈছে ঃ<br>ক) শোচনীয় বিত্তীয় অৱস্থাৰ কাৰণে বজাৰৰ পৰা পশুখাদ্য ক্ৰয় কৰাৰ অক্ষমতা।<br>খ) গছৰ পাত আদি পশুখাদ্য, শস্যৰ অৱশিষ্টাংশ মাত্ৰ ৩-৬ মাহৰ বাবে চলে। গোটেই বছৰজুৰি সেউজ খাদ্য পৰ্যাপ্ত নহয়।<br>গ) পশু চিকিৎসালয় নাই।<br>ঘ) পশুপালন সম্পৰ্কে উপযুক্ত জ্ঞানৰ অভাৱ।<br>সুযোগসমূহ হৈছে ঃ<br>ক) পশুপালনৰ জৰিয়তে অধিক উপাৰ্জন।<br>পৰামৰ্শমূলক কৰ্মসূচীসমূহ হৈছে ঃ<br>ক) গাহৰি পালন<br>খ) কুকুৰা পালন |
| **কাঠ ভিন্ন বন উৎপাদন (এন ডব্লিউ এফ পি)** | এন ডব্লিউ এফ পিৰ সুবিধাসমূহ **তথ্য-২ৰ তালিকা-১৪ত** প্ৰদান কৰা হৈছে।<br>প্ৰধান বাধাসমূহ হৈছে ঃ<br>ক) এন ডব্লিউ এফ পিৰ কম উপলব্ধতা।<br>খ) কাৰিকৰী জ্ঞান নাই<br>গ) সংসাধন গোট নাই।<br>সুবিধাসমূহ হ'ল —<br>ক) সাৰুৱা পতিত মাটিৰ পৰ্যাপ্ততা।<br>পৰামৰ্শমূলক কাৰ্যসূচীসমূহ হ'ল—<br>ক) খাদ্য উদ্ভিদৰ খেতি।<br>খ) ভেষজ উদ্ভিদ-ভেষজ আৰু সুগন্ধি উদ্ভিদ আদি। |
| **বিশেষীকৃত দক্ষতা** | দক্ষতা উন্নয়ন আৰু ইয়াৰ সুযোগ সম্পৰ্কীয় তথ্য **নথি-২ৰ তালিকা-১৫ত** দিয়া হৈছে। যেনে ক) পশুপালন খ) বয়ন<br>প্ৰধান বাধাসমূহ হৈছে ঃ<br>* উৎপাদন বিবিধতাৰ অভাৱ।<br>* উৎপাদিত সামগ্ৰীৰ গুণগত মান সম্পৰ্কে গৱেষণাৰ অভাৱ।<br>* টি কিউ এম কলা-কৌশলৰ অভাৱ।<br>সুবিধাসমূহ হ'ল —<br>* ভাল যোগাযোগ ব্যৱস্থা প্ৰদান<br>* দক্ষতা আহৰণকাৰীৰ প্ৰশিক্ষণ<br>* চৰকাৰ বা অন্য পৃষ্ঠপোষক এজেন্সীৰ তৰফৰ পৰা বিত্তীয় সাহায্য<br>পৰামৰ্শমূলক কাৰ্যসূচীসমূহ হ'ল—<br>* আধুনিক যন্ত্ৰপাতি আৰু সা-সজুঁলিৰ ব্যৱহাৰ সম্পৰ্কে প্ৰশিক্ষণ<br>* গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান<br>* কেঁচামালৰ ভঁৰাল স্থাপন<br>* প্ৰাতিষ্ঠানিক ক্ৰেতাৰ সৈতে উৎপাদিত সামগ্ৰী বৃহৎ পৰিমাণে ক্ৰয়ৰ ব্যৱস্থা প্ৰদান। |

| | |
|---|---|
| **ঋণৰ সুবিধা** | এই সন্দৰ্ভত **নথি-২ৰ তালিকা-১৬ত** আলোচনা কৰা হৈছে।<br>প্ৰধান বাধাসমূহ আৰু ইয়াৰ কাৰণবোৰ হৈছে ঃ<br>* বিত্তীয় বহিৰ্ভূত<br>* বেচৰকাৰী ঋণদাতাসকলৰ দ্বাৰা উচ্চ হাৰত সুত ধাৰ্য কৰা<br>সুযোগসমূহ হৈছে ঃ<br>* আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন<br>* পৰ্যাপ্ত সজাগতা<br>পৰামৰ্শমূলক কাৰ্যসূচী হৈছে ঃ<br>* নিকটৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন |
| **কৌশলগত হস্তক্ষেপ** | ওপৰত পৰামৰ্শ হিচাপে আগবঢ়োৱা কৰ্মসূচীসমূহৰ ভিত্তিত নিম্নোক্ত বিষয়সমূহক জীৱিকা উন্নয়ন পৰিকল্পনাৰ বাবে কৌশলগত হস্তক্ষেপ হিচাপে গণ্য কৰিব পাৰি ঃ<br>১) **কৃষি আৰু উদ্যানশস্য ঃ** ট্ৰেক্টৰ চলোৱাৰ প্ৰশিক্ষণ, কৃষি দক্ষতা উন্নয়ন কাৰ্যসূচী, কীটনাশক, সংকৰ প্ৰজাতিৰ শস্যৰ খেতি সম্পৰ্কে প্ৰশিক্ষণ।<br>২) **পশুপালন ঃ** গাহৰি পালন, কুকুৰা পালন।<br>৩) **এন ডব্লিউ এফ পি ঃ** খাদ্য উদ্ভিদৰ খেতি, ভেষজ উদ্ভিদ আদি।<br>৪) **বিশেষ দক্ষতা ঃ** আধুনিক যন্ত্ৰপাতি আৰু সা-সঁজুলি সম্পৰ্কে প্ৰশিক্ষণ, গাঁওবাসীক আধুনিকপ্ৰযুক্তি প্ৰদান, দক্ষতা উন্নয়ন আৰু নতুন সামগ্ৰী উৎপাদন আৰু বিবিধ প্ৰকাৰ সামগ্ৰী উৎপাদন সম্পৰ্কে প্ৰশিক্ষণ, কেঁচামালৰ ভঁৰাল স্থাপন, প্ৰাতিষ্ঠানিক ক্ৰেতাৰ সৈতে উৎপাদিত সামগ্ৰী বৃহৎ পৰিমাণে ক্ৰয়ৰ ব্যৱস্থা গ্ৰহণ।<br>৫) **ঋণ সুবিধা ঃ** নিকটৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন। |

নিম্নোক্ত বিষয়সমূহৰ সাহায্যত জীৱিকাৰ সুযোগ বিশ্লেষণৰ ৰূপৰেখা তৈয়াৰ কৰা হৈছে ঃ

ক) জীৱিকা সম্পদ

খ) জীৱিকা পৰিপ্ৰেক্ষিত

গ) সম্ভাৱনীয় জীৱিকাৰ ওপৰত অগ্ৰাধিকাৰ স্থানাংক

পি আৰ এ অনুশীলনৰ সময়ত ডি এফ ডি আইৰ (ডিপাৰ্টমেণ্ট অব্ ইণ্টাৰনেচনেল ডেভেলপমেণ্ট) স্থিতিশীল জীৱিকা নিৰ্দেশিকা ব্যৱহাৰ কৰি ৰংপথাৰ জে এফ এম চিৰ জীৱিকা পৰিস্থিতি বিশ্লেষণ কৰা হৈছে। নিম্নোক্ত ভিত্তিত জে এফ এম চিৰ বৰ্তমান জীৱিকা পৰিস্থিতিৰ ৰূপৰেখা তৈয়াৰ কৰা হৈছে—

১) প্ৰাকৃতিক মূলধন

২) বস্তুগত মূলধন

৩) সামাজিক মূলধন

৪) মানৱ সম্পদ

৫) বিত্তীয় মূলধন

**প্ৰাকৃতিক মূলধন ঃ**

ৰংপথাৰ জে এফ এম চিৰ মূল প্ৰাকৃতিক সম্পদ হৈছে আমজংগা পি আৰ এফ। গাঁওবাসীৰ বেছিভাগেই কাঠখৰি, সেউজ খাদ্য, কাঠ আদিৰ বাবে বনাঞ্চলৰ ওপৰত নিৰ্ভৰ কৰে। কৃষি আৰু পশুপালনৰ বাবে গাঁওবাসীয়ে নদীৰ পানী ব্যৱহাৰ কৰে।

(তালিকা ১০, ১১, বনোন্নয়ন পৰিকল্পনাৰ তালিকা ৩ বিতং তথ্যৰ বাবে চাব পাৰে)

**বস্তুগত মূলধন ঃ**

ৰংপথাৰ জে এফ এম চিৰ গৰিষ্ঠসংখ্যক পৰিয়ালেই দিন মজদুৰিত জড়িত। কৃষিকাৰ্য অতি কম আৰু জে এফ এম চিত ভূমি ধাৰণ অতি নগণ্য। ৩১.৯১ শতাংশ পৰিয়াল উপান্ত কৃষক, ৬৪.৮৯ শতাংশ ভূমিহীন। পৰিশিষ্ট-৬ৰ তালিকা-৩ত ভূমি ধাৰণৰ বিস্তৃত তথ্য দিয়া হৈছে।

গাঁওখনত ৫টা অৰ্ধ-পকী আৰু ৫টা পকীঘৰ আছে আৰু বাকী ঘৰসমূহ খেৰীঘৰ। বিভিন্ন উৎসসমূহৰ পৰা শক্তি ব্যৱহাৰৰ ভিতৰত যেনে বায়'মাছ, কেৰাচিন, বিদ্যুৎশক্তি, ৰন্ধন গেছ আৰু মমবাতি, গাঁওবাসীয়ে ঘৰুৱা আৰু অন্যান্য ব্যৱহাৰৰ বাবে কাঠখৰি আৰু কেৰাচিনৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াৰ উপৰি কিছু পৰিয়ালৰ ৰন্ধন গেছৰ সংযোগ আছে যদিও সেয়া সংখ্যাত অতি তাকৰ (তালিকা ১০,১১ দ্ৰষ্টব্য)।

ইয়াত দুখন প্ৰাথমিক বিদ্যালয়, এখন এম ই স্কুল আৰু এখন জুনিয়ৰ কলেজ জে এফ এম চি এলেকাত অৱস্থিত (তালিকা ৫ দ্ৰষ্টব্য)।

পানীৰ উৎসৰ ক্ষেত্ৰত, ২০ শতাংস পৰিয়ালে কেঁচা কুঁৱাৰ পানী ব্যৱহাৰ কৰে।

**সামাজিক মূলধন ঃ**

জে এফ এম চিৰ কাৰ্যসূচীত গাঁওবাসীৰ ভূমিকা, ক্ৰিয়া আৰু বিশেষ লাভালাভৰ প্ৰতি তেওঁলোক অজ্ঞ হোৱাৰ বাবে গাঁওবাসীয়ে তাত অংশগ্ৰহণ নকৰে।

ইয়াত এখন প্ৰাথমিক বিদ্যালয় আৰু ৩টা অংগনৱাড়ী কেন্দ্ৰ আছে।

**মানৱ সম্পদ ঃ**

জে এফ এম চিৰ মুঠ জনসংখ্যাৰ ৭৫ শতাংশ শিক্ষিক আৰু ইয়াৰ ভিতৰত ৫১ শতাংশই উচ্চ প্ৰাথমিক পৰ্যায়ৰ স্কুলীয়া শিক্ষা সমাপ্ত কৰিছে।

**বিত্তীয় মূলধন ঃ**

জে এফ এম চি এলেকা বা নিকটৱৰ্তী অঞ্চলত চৰকাৰী বেংক বা ঋণ দিওঁতা প্ৰতিষ্ঠান নাই। যাৰ বাবে গাঁওবাসীয়ে অনানুষ্ঠানিক ঋণ দিওঁতাৰ পৰা ঋণ লয়। কমাৰ্চিয়েল বেংকত ২০গৰাকী সদস্যৰ বেংক একাউণ্ট আছে, কিন্তু তেওঁলোক বিত্তীয় অন্তৰ্ভুক্তিৰ লাভালাভ সম্পৰ্কে সজাগ নহয়।

**জীৱিকা প্ৰসংগ ঃ**

তলত উল্লেখ কৰা মানৰ ভিত্তিত ৰংপথাৰ জে এফ এম চিৰ জীৱিকাৰ কাম-কাজবোৰ চিহ্নিত কৰা হৈছে ঃ

* জে এফ এম চি-ৰ মুঠ উপাৰ্জনত নিৰ্দিষ্ট জীৱিকাৰ কাম-কাজৰ জৰিয়তে যোগোৱা অৱদান।
* জীৱিকাৰ নিৰ্দিষ্ট কামত জড়িত উপাৰ্জনকাৰী গোটৰ শতাংশ হাৰ
* সম্ভাৱনাময় জীৱিকাৰ উপায়ৰ অগ্ৰাধিকাৰ স্থানাংক।

## ৩। জীৱিকা উন্নয়ন পৰিকল্পনা

| | |
|---|---|
| **উপাৰ্জন বৃদ্ধিৰ কাম-কাজ** | গাঁৱৰ পৰিকল্পনা কৰা মূল উপাৰ্জন সৃষ্টি কাম-কাজবোৰ হ'ল ঃ<br>**কৃষিখণ্ড ঃ**<br>১। কুকুৰা পালন আৰু গাহৰি পালন<br>২। ভেনিলাৰ খেতি<br>৩। উদ্যান শস্য<br>**অনা-কৃষি খণ্ড ঃ**<br>১। হস্ততাঁত / বয়ন<br>২। গাড়ী চালনা<br>৩। ইলেক্ট্ৰিচিয়ান<br>৪। ৰেচম<br>৫। ক্ষুদ্ৰ ব্যৱসায় |
| **আত্মসহায়ক গোটৰ কাৰ্যকলাপ** | গাঁৱৰ আত্মসহায়ক গোটসমূহে তলৰ কাৰ্যসূচীসমূহ পৰিকল্পনা কৰিব পাৰে ঃ<br>১) সজাগতা সৃষ্টি<br>২) গোট গঠন আৰু সংগঠিত কৰা<br>৩) সমূহীয়াভাৱে জীৱিকাৰ কাম-কাজত গাঁওবাসীক চামিলকৰণ<br>৪) তেওঁলোকক উপাৰ্জন কাৰ্যসূচীত অন্তৰ্ভুক্ত কৰোৱা |
| **শিক্ষাৰ উদ্দেশ্যে ভ্ৰমণ** | কিছুমান শিক্ষামূলক ভ্ৰমণৰ পৰিকল্পনা কৰিব পাৰি—<br>**উৎস** ঃ তথ্য ৪ৰ তালিকা ৩৪। |
| **কৰ্মসূচীৰ সাৰাংশ** | পৰৱৰ্তী পৃষ্ঠাত সংযোগ কৰা হৈছে। |
| **সংপৃক্তকৰণ** | ভাৰত চৰকাৰৰ তলৰ আঁচনিসমূহৰ সৈতে পৰিকল্পনা কৰা কাৰ্যব্যৱস্থাসমূহ সংপৃক্ত কৰিব পাৰি ঃ<br>ক) ৰাষ্ট্ৰীয় গ্ৰাম নিয়োগ নিশ্চিতকৰণ আঁচনি (National Rural Employment Guarantee Scheme) — গ্ৰাম্য নিয়োগৰ কাৰণে<br>খ) ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (Rashtriya Krishi Vikas Yojana) — কৃষি আৰু সংলগ্ন ক্ষেত্ৰৰ বিকাশৰ বাবে।<br>গ) ৰাষ্ট্ৰীয় কৃষি সিঞ্চয় যোজনা (Rashtriya Krishi Sinchay Yojana) — পানীৰ উৎস উন্নয়ন সহিতে জলসিঞ্চনৰ কাৰণে<br>ঘ) ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান (National Rural Livelihoods Mission)<br>ঙ) দক্ষতা বিকাশ আঁচনি (Skills Development Programme)<br>চ) গ্ৰামোন্নয়ন আৰু জীৱিকাৰ বাবে পোৱা উপযোগী অন্যান্য আঁচনি।<br>উপৰোক্ত সংপৃক্তকৰণে বৰ্তমানৰ পৰিকল্পনাসমূহ সফল কৰি তোলাৰ লগতে এই পৰিকল্পনাৰ কৰ্মসূচী ৰূপায়ণত পৰৱৰ্তী কালতো সহায় কৰিব। |

## ৪। বনোন্নয়ন পৰিকল্পনা

ৰংপথাৰ জে এফ এম চি-ৰ ক্ষুদ্ৰ পৰিকল্পনাৰ অংশ হিচাপে গাঁও অঞ্চলত বনোন্নয়ন পৰিকল্পনা বিস্তৃত পি আৰ এ অনুশীলনৰ পিছত প্ৰস্তুত কৰা হৈছে। এই পৰিকল্পনাৰ উদ্দেশ্যসমূহ হ'ল জৈৱ বৈচিত্ৰ্য সংৰক্ষণ, পাৰিৱেশিক কাৰ্যসূচী আৰু জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলত উৎপাদন সক্ষমতা; এক বহুনক্ষম ব্যৱস্থাৰে সম্প্ৰদায়ৰ ব্যৱহাৰ আৰু জীৱন ধাৰণৰ প্ৰয়োজনীয়তাসমূহ লাভ কৰা।

### ১। জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা

ৰংপথাৰ জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহৰ বাবে এই ক্ষুদ্ৰ পৰিকল্পনাই তলৰ বিভাগসমূহ বিবেচনা কৰিছে।

ক) বন বিভাগৰ দ্বাৰা ন্যস্ত কৰা জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহ আৰু

খ) বৃক্ষৰোপিত এলেকা/ৰোপণৰ বাবে নিৰ্ধাৰিতক সম্প্ৰদায়ৰ ভূমি আৰু অধিসূচিত বনাঞ্চলৰ বাহিৰৰ অন্যান্য ভূমি।

উপৰোক্ত দুয়োটা বিভাগৰে জে এফ এম চি বনাঞ্চলৰ অৱস্থা সম্পৰ্কে তলত আলোচনা কৰা হ'ল ঃ

### ১.১। বনাঞ্চল আৰু তাৰ অৱস্থা

জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলৰ পূৰ্ণ বিৱৰণ **প্ৰফৰ্মা-৩ৰ** অধীনত **তালিকা-৩.১ত** দাখিল কৰা হৈছে **('বনোন্নয়ন পৰিকল্পনা')**, যিসমূহ এই ক্ষুদ্ৰ পৰিকল্পনাত পৰিশিষ্ট হিচাপে সংলগ্ন কৰা হৈছে। অন্যান্য বৃক্ষৰোপিত এলেকা (বা বৃক্ষৰোপণ কৰিবলগা) বিবেচনা কৰাৰ পিছত, ৰংপথাৰ জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা তলত দিয়াৰ দৰে সাৰসংক্ষেপ কৰা হৈছে।

**তালিকা-১ ঃ ৰংপথাৰ জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা**

| চিহ্নিতকৰণ | জে এফ এম চি বনাঞ্চলৰ আয়তন (হেক্টৰ) | গাঁৱৰ পৰা দূৰত্ব (কিঃ মিঃ) | বনাঞ্চলৰ অৱস্থা (ভাল-বনৰ ৪০% আৰু ততোধিক ক্ৰাউন ঘনত্ব বাকী- 'ক্ষতিগ্ৰস্ত') | সম্প্ৰদায়ৰ দ্বাৰা ব্যৱহাৰৰ ব্যৱধানতা (২-৩ মাহ/৩-৬ মাহ/৬-৯ মাহ/৯ মাহৰ বেছি) |
|---|---|---|---|---|
| (ক) ন্যস্ত বনাঞ্চল | | | | |
| আৰ এফ/পি এফ<br>নাম ঃ ৰংপথাৰ<br>লাট ঃ ৰংপথাৰ<br>উপাদান ঃ নাই | ৭৫ | ০ | | |
| (খ) অন্যান্য ৰোপিত এলেকা | | | | |
| মুঠ | ৭৫ | | | |

## ১.২। বনভূমিৰ প্ৰকাৰ ঃ

ৰংপথাৰ জে এফ এম চিৰ বনাঞ্চল সাৰুৱা প্ৰকৃতিৰ ভূমিত অৱস্থিত। তলৰ তালিকাত এই বনাঞ্চলৰ কিছু বৈশিষ্ট্য উল্লেখ কৰা হ'ল ঃ

**তালিকা- ২ ঃ ৰংপথাৰ জে এফ এম চিৰ বনাঞ্চলৰ মাটিৰ প্ৰকাৰ**

| পৰিমাপ | ন্যস্ত বনাঞ্চলৰ অৱস্থা | বৃক্ষৰোপিত অন্যান্য এলেকাৰ অৱস্থা |
|---|---|---|
| উৰ্বৰতাৰ পৰ্যায় | উচ্চ | উচ্চ |
| ভূমি ক্ষয়ৰ অৱস্থা | ভূমি ক্ষয় নাই | ভূমি ক্ষয় নাই |
| উপস্থিতি ঃ | | |
| (ক) পলস | হয় | নাই |
| (খ) বোকামাটি | নাই | নাই |
| (গ) নতুনকৈ প্ৰস্তুত কৰা ভূমি | কম | নাই |
| (ঘ) বালিচাহি | নাই | নাই |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'খ'।** বনাঞ্চলৰ মাটিৰ প্ৰকাৰ/বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যৰ সৈতে হোৱা আলোচনা

ৰংপথাৰ জে এফ এম চি-ৰ বাবে বনাঞ্চলৰ মাটিৰ প্ৰকাৰৰ বৈশিষ্ট্যসমূহ তলৰ সাৰাংশত দিয়া হ'ল ঃ

ক) পলস মাটি

খ) সাৰুৱা মাটি

## ১.৩। বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ

ৰংপথাৰ জে এফ এম চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ তলত উল্লেখ কৰা হ'ল। এইটো মন কৰিবলগীয়া যে স্থানীয় বনাঞ্চলক হিমালয়ান আৰ্দ্ৰ মিশ্ৰিত পৰ্ণপাতী হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে।

**তালিকা- ৩ ঃ ৰংপথাৰ জে এফ এম চি-ৰ বৰ্তমান উদ্ভিদসমূহ**

| প্ৰজাতি | স্থানীয় নাম | বৈজ্ঞানিক নাম |
|---|---|---|
| প্ৰধান বনজ প্ৰজাতি | চেগুণ | টেক্টোনা গ্ৰেণ্ডিছ লিন |
| | গমাৰি | গ্মেলিনা আৰ্ব'ৰিয়া |
| | অৰ্জুন | টাৰ্মিনেলিয়া অৰ্জুন |
| | ভেলকৰ | ট্ৰেৱিয়ানুডিফ্ল'ৰা |
| | ঘোঁৰানিম | মেলিয়াজেডাৰাচ |
| গুল্ম | ঢেকীয়া | ফাৰ্নছ |
| | জাৰ্মানি বন | এট্ৰপেবেল'ডনা |
| ঔষধি উদ্ভিদ | অৰ্জুন | টাৰ্মিনেলিয়া অৰ্জুন |
| | শিলিখা | টাৰ্মিনেলিয়া চেবুলা |
| | নিম | আজাডিৰেক্টাইণ্ডিকা |
| | আমলখি | ফিলান্থাছেম্বলিকা |

**উৎস ঃ প্ৰফৰ্মা-৩, 'গ।** বনাঞ্চলৰ বৰ্তমান প্ৰাণী আৰু উদ্ভিদসমূহ/বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যৰ সৈতে আলোচনা

**২। বন উন্নয়ন পৰিকল্পনাৰ বাবে অন্যান্য কৰ্মসূচী**

তলৰ উপশাখাসমূহত ৰংপথাৰ জে এফ এম চিৰ বন উন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচী দিয়া হ'ল ঃ

**২.১। জে এফ এম চি-ৰ অতীতৰ সুৰক্ষা ব্যৱস্থা**

ৰংপথাৰ জে এফ এম চিত অতীতত লোৱা বন সুৰক্ষা ব্যৱস্থাসমূহ তলত আলোচনা কৰা হ'ল ঃ

ক) জড়িত পৰিয়াল ঃ

খ) জড়িত লোকৰ সংখ্যা ঃ

গ) গৃহীত ব্যৱস্থাৰ সাৰাংশ ঃ টহলদাৰী

ঘ) কোনো আনুষ্ঠানিক ব্যৱস্থা ঃ উপলব্ধ নহয়

**উৎস ঃ প্ৰ'ফৰ্মা-৩,** জে এফ এম চি-ৰ অৱস্থা- viii + ix / বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চি-ৰ সদস্যৰ সৈতে আলোচনা

**২.২। বনজ উৎপাদনৰ ঘৰুৱা চাহিদা**

স্থানীয় সম্প্ৰদায়ৰ ঘৰুৱা চাহিদাৰ বাবে বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীলতাৰ তথ্য তলৰ তালিকাত দাঙি ধৰা হ'ল।

**তালিকা- ৪ (ক) ঃ ৰংপথাৰ জে এফ এম চিৰ প্ৰতিটো পৰিয়ালৰ বনজ উৎপাদনৰ ঘৰুৱা চাহিদা**

| বনজ উৎপাদনৰ নাম | পৰিয়ালৰ গড় চাহিদা | | বৰ্তমান কিভাৱে চাহিদা পূৰণ হৈছে | উৎস |
|---|---|---|---|---|
| | চাহিদাৰ সময় ব্যৱধান | আনুমানিক পৰিমাণ | | |
| কাঠখৰি | সপ্তাহত এবাৰ | ৪০-৫০ কেজি | | উদ্ভিদ |
| ঘৰৰ বাবে কাঠ | বছৰত এবাৰ | ১-২ কুইণ্টল/বছৰ | | বনাঞ্চল |
| সঁজুলিৰ বাবে সৰু কাঠ | নাই | | | |
| খুঁটা/বাঁহ | নিয়মিতভাৱে | ১-২ বাঁহ/প্ৰতি মাহত | | বনাঞ্চল |
| বনাঞ্চলৰ পৰা পশুখাদ্য | বনৰ ভিতৰত চাৰণ | | | বনাঞ্চল |
| এন টি এফ পি | কেতিয়াবা | | | |
| অন্যান্য | - | - | - | - |

**উৎস ঃ** প্ৰফ'ৰ্মা-৩, **তালিকা-৩.২**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

ৰংপথাৰ জে এফ এম চিত মুঠ ৯৪টা পৰিয়াল আছে। ওপৰৰ তালিকা আৰু এই পৰিয়ালৰ সংখ্যাৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি ৰংপথাৰ গাঁৱৰ বাবে বছৰি মুঠ বনজ উৎপাদনৰ চাহিদা নিজস্ব ব্যৱহাৰৰ বাবে তলত উল্লেখ কৰা ধৰণৰ—

**তালিকা- ৪ (খ ) ঃ ৰংপথাৰ জে এফ এম চিৰ সকলো পৰিয়ালৰ বনজ উৎপাদনৰ মুঠ বাৰ্ষিক চাহিদা**

| বনজ উৎপাদনৰ নাম | সম্প্ৰদায়ৰ চাহিদা বাৰ্ষিক কিঃগ্ৰাঃ (*) | মন্তব্য |
|---|---|---|
| কাঠখৰি | ১৪০০০০ | গোটেই বছৰজুৰি |
| ঘৰৰ বাবে কাঠ | ১১০০০০ টা | ডিচেম্বৰ-জানুৱাৰী |
| সঁজুলিৰ বাবে সৰু কাঠ | — | প্ৰয়োজন মতে |
| খুঁটা/বাঁহ | ১৫০০ বাঁহ | |
| বনাঞ্চলৰ পৰা পশুখাদ্য | | |
| এন টি এফ পি | | |
| অন্যান্য— | | |

**উৎস ঃ** ওপৰৰ **তালিকা-৪ (ক)** আৰু সম্প্ৰদায়ৰ তথ্যৰ পৰা প্ৰাপ্ত মুঠ পৰিয়ালৰ সংখ্যা
(*) = পৰিয়ালসমূহৰ গড় চাহিদাৰ আনুমানিক পৰিমাণ (**তালিকা-৪ (ক)** × — টা পৰিয়াল)

## ২.৩। গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সামগ্ৰী সংগ্ৰহ আৰু বিপণন

পৰিয়ালৰ ঘৰুৱা ব্যৱহাৰৰ উপৰি এই ধৰণৰ সামগ্ৰী সংগ্ৰহ কৰি স্থানীয় বজাৰত বিক্ৰীৰ জৰিয়তে গাঁওবাসী বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল। ৰংপথাৰ জে এফ এম চি-ৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণনৰ তথ্য তলৰ তালিকাত উল্লেখ কৰা হ'ল—

**তালিকা- ৫ (ক) ঃ ৰংপথাৰ জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন**

| বনজ উৎপাদনৰ নাম | বিপণনৰ বাবে সংগ্ৰহ | | | সংগ্ৰহৰ স্থান |
|---|---|---|---|---|
| | ঋতু / মাহ | সংগ্ৰহকাৰী পৰিয়ালৰ সংখ্যা | সংগৃহীত সামগ্ৰীৰ গড় পৰিমাণ (কিঃ গ্ৰাঃ) | |
| কাঠখৰি | বছৰজুৰি | ৩-৪ | ৪০০-৫০০ | বনাঞ্চল |
| ঘৰৰ বাবে কাঠ | | | | |
| সঁজুলিৰ বাবে সৰু কাঠ | — | — | — | — |
| বাঁহ | মাহত এবাৰ | ৪-৫ | ৮-১০ টুকুৰা | বনাঞ্চল |
| খুঁটা | — | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | | | | |
| এন টি এফ পি | | | | |
| অন্যান্য | | | | |

**উৎস ঃ** প্ৰফ'ৰ্মা-৩, **তালিকা-৩.৩**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা। ওপৰৰ তালিকাত উল্লিখিত তথ্যৰ লগত সম্পৰ্কিত কিছু প্ৰাসংগিক তথ্য তলৰ তালিকাত দিয়া হ'ল।

**তালিকা- ৫ (খ) ঃ বন উৎপাদন সংগ্ৰহ আৰু বিপণন**

| **বন উৎপাদনৰ নাম** | **উদ্বৃত্ত বিপণন (কিঃ গ্ৰাঃ)** | **কেনেদৰে বিপণন কৰা হয়** | **বনজ উৎপাদন বিক্ৰীৰ মাধ্যমেৰে প্ৰতিটো পৰিয়ালৰ গড় আয়** |
|---|---|---|---|
| কাঠখৰি | ১৩০০ কিঃ গ্ৰাঃ | ৰংপথাৰ | ১৬০০-২০০০/ মাহ |
| ঘৰৰ বাবে কাঠ | — | — | — |
| সঁজুলিৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | ৩২-৪০টা / মাহ | ৰংপথাৰ বজাৰ | ৮০০-১২৫০/ মাহ |
| খুঁটা | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | — | — | — |
| এন টি এফ পি | — | — | — |
| অন্যান্য— | — | — | — |

**উৎস ঃ** প্ৰফ'ৰ্মা-৩, **তালিকা-**৩.৪/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

২.৪। **বনজ উৎপাদনৰ মুঠ চাহিদা— ঘৰুৱা ব্যৱহাৰ আৰু বিপণনৰ বাবে**

পূৰ্বে উল্লেখ কৰা উপ-শাখাৰ তথ্যৰ ভিত্তিত ৰংপথাৰ জে এফ এম চিৰ সম্প্ৰদায়ৰ সদস্যসকলৰ বনজ উৎপাদনৰ মুঠ চাহিদাৰ সাৰাংশ তলত দিয়া হ'ল।

**তালিকা- ৬ ঃ ৰংপথাৰ জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বন উৎপাদনৰ মুঠ প্ৰয়োজন**

| **বন উৎপাদনৰ নাম** | **সম্প্ৰদায়ৰ প্ৰয়োজন (কিঃ গ্ৰাঃ বছৰি)** তালিকা-৪ খৰ পৰা | **উদ্বৃত্ত বিপণন (কিঃ গ্ৰাঃ)** তালিকা ৫ খৰ পৰা | **মুঠ প্ৰয়োজনীয়তা (কিঃ গ্ৰাঃ)** |
|---|---|---|---|
| কাঠখৰি | ১৮০০০০ কিঃ গ্ৰাঃ | ১৫৭০ | ১৬২৫৭৫ |
| ঘৰৰ বাবে কাঠ | ১১০৪০০ কিঃ গ্ৰাঃ | — | ১১০৪০০ |
| সঁজুলিৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | ১৬৫৬ টুকুৰা | ৩৮৪-৬০০ টুকুৰা | ২০৪০-২২৫৬ টুকুৰা |
| খুঁটা | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | — | — | — |
| এন টি এফ পি | — | — | — |
| অন্যান্য— | — | — | — |

**উৎস ঃ** এই শাখাৰ তালিকা ৪ (খ) আৰু ৫ (খ), পূৰ্বৱৰ্তী পৃষ্ঠা দিয়া।

## ৩। বন সুৰক্ষা সংক্ৰান্ত বিষয়

### ৩.১। সুৰক্ষা সমস্যাসমূহ

ৰংপথাৰ জে এফ এম চিৰ বনাঞ্চল সুৰক্ষাৰ বিষয়সমূহ সংক্ষিপ্তভাৱে তলত দিয়া হ'ল—

**তালিকা- ৭ ঃ ৰংপথাৰ জে এফ এম চিৰ সুৰক্ষা সমস্যাসমূহ**

| সমস্যাৰ ধৰণ | প্ৰাসংগিক (হয়/নহয়) | গুৰুত্ব (হয়/নহয়) |
|---|---|---|
| চৰণীয়া পথাৰ-স্থানীয় পশু | হয় | হয় |
| চৰণীয়া পথাৰ- অন্যান্য এলেকাৰ পশু | হয় | হয় |
| বেআইনীভাৱে কাঠকটা | নহয় | নহয় |
| কাঠ চোৰাং চালান | নহয় | নহয় |
| দুৰ্ঘটনাবশতঃ অগ্নিকাণ্ড | হয় | হয় |
| বনভূমি বেদখল | নহয় | নহয় |
| অন্যান্য— কাঠখৰি সংগ্ৰহ | হয় | হয় |

**উৎস ঃ** প্ৰফ'ৰ্মা-৩, তালিকা ৩.৫/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

এইদৰে উপৰোক্ত জে এফ এম চিত বন সুৰক্ষা সম্পৰ্কীয় বিষয়ত সন্মুখীন হোৱা দিশসমূহ হ'ল—

ক) চৰণীয়া পথাৰ — স্থানীয় জন্তু

খ) চৰণীয়া পথাৰ — অন্যান্য এলেকাৰ জন্তু

### ৩.২। বনাঞ্চল ক্ষতিৰ কাৰণসমূহ

ৰংপথাৰ জে এফ এম চিত বনাঞ্চল অনুন্নয়নৰ কাৰণসমূহ তলত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি—

ক) গছকটা

খ) জন্তুৰ চাৰণ, .......... বনভূমিত

(**উৎস ঃ** প্ৰফ'ৰ্মা-৩, তালিকা ৩.৬/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা)

## ৪। বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ

ৰংপথাৰ জে এফ এম চি-ত বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ তলৰ উপ-শাখাত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি, যেনে সুৰক্ষাৰ পৰিকল্পনা, বন উন্নয়ন (পৰিচৰ্যা), নাৰ্ছাৰী উন্নয়ন, তত্ত্বাৱধান আৰু বিবিধ প্ৰকাৰৰ কাম-কাজ।

### ৪.১। সুৰক্ষা পৰিকল্পনা

সুৰক্ষা পৰিকল্পনাৰ বিষয়সমূহ তলত দিয়াৰ দৰে—ৰংপথাৰ জে এফ এম চি-ৰ বন সুৰক্ষা সম্পৰ্কীয় বিষয়সমূহ পূৰ্বে আলোচিত উপ-শাখা ৩.১ৰ পৰা আলোচনা কৰা হৈছে।

**তালিকা- ৮ ঃ ৰংপথাৰ জে এফ এম চিৰ সুৰক্ষা পৰিকল্পনা**

| সুৰক্ষা কৰ্ম (প্ৰযোজ্য হিচাপে প্ৰফ'ৰ্মা-৩ৰ তালিকা ৩.৭ৰ পৰা পূৰণ কৰা হ'ব | বনাঞ্চল এলেকাৰ অৱস্থিতি | ব্যৱস্থা গ্ৰহণৰ সংখ্যাগত মান নিৰ্ণয় (দৈৰ্ঘ্য, আয়তন, আকাৰ ইত্যাদি) | সময়-কাল | অগ্ৰাধিকাৰ (উচ্চ /মধ্যম/নিম্ন) |
|---|---|---|---|---|
| সামাজিক বেৰ | চাৰিসীমা | বৃক্ষৰোপিত এলেকা চিহ্নিত কৰাৰ সৈতে | চাৰণৰ ঋতুত | উচ্চ |
| অগ্নি সুৰক্ষা | বনাঞ্চলৰ ভিতৰত | | হেমন্ত-শীত | উচ্চ |
| চোৰাং সৰবৰাহ | বনাঞ্চলৰ ভিতৰত | বনাঞ্চলৰ ভিতৰত | গ্ৰীষ্মকালত | নিম্ন |

**উৎস ঃ** প্ৰফ'ৰ্মা-৩, তালিকা- ৩.৭/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

এইদৰে ৰংপথাৰ জে এফ এম চিত পৰিকল্পনা কৰা উল্লেখযোগ্য প্ৰতিৰক্ষা ব্যৱস্থাসমূহ (উচ্চ/মধ্যম অগ্ৰাধিকাৰসহ) তলত দিয়াৰ দৰে—

ক) বেৰ, খ) অগ্নি সুৰক্ষা, গ) টহলদাৰী

### ৪.২। প্ৰস্তাৱিত কাম-কাজৰ প্ৰকাৰ

ৰংপথাৰ জে এফ এম চি-ৰ বনাঞ্চলৰ ক্ষতিগ্ৰস্ত এলেকাসমূহৰ নিৰাময়ৰ বাবে প্ৰস্তাৱিত কাম-কাজৰ ধৰণ তলত উল্লেখ কৰা হ'ল।

**তালিকা- ৯ ঃ ৰংপথাৰ জে এফ এম চি-ৰ প্ৰস্তাৱিত কাম-কাজৰ প্ৰকাৰ**

| নিৰাময় ব্যৱস্থা | প্ৰয়োজনীয় (হয়/নহয়) | জে এফ এম চি-ৰ দায়িত্ব (হয়/নহয়) | মাহ/বছৰ যেতিয়া কৰিব পাৰি | নিৰাময় ব্যৱস্থাৰ বাবে প্ৰস্তাৱিত বৰ্ধিত এলেকা (হেক্টৰ) |
|---|---|---|---|---|
| ক্ষতিগ্ৰস্ত বনাঞ্চলৰ পুনৰুদ্ধাৰ | হয় | হয় | এপ্ৰিল-আগষ্ট | |
| কটা গছৰ গুৰিৰ সুৰক্ষা | | | | |
| জলাধাৰ | | | | |
| ঘাঁহ-বন নিৰণি | | | | |
| বাঁহ ৰোপণ | হয় | হয় | মাৰ্চ-এপ্ৰিল | |
| বীজ সিঁচা | হয় | হয় | জুন-জুলাই | নাই |
| শিপা আৰু অংকুৰ কটা আৰু ৰোপণ | হয় | হয় | জুন-জুলাই অক্টোবৰ-নৱেম্বৰ | |
| কলম আৰু নিৰাময় | | | | |
| বাস্তৱিক বেৰ | হয় | নহয় | ছেপ্টেম্বৰ-নৱেম্বৰ | নাই |
| সামাজিক বেৰ | হয় | হয় | বছৰজুৰি | ৫০ হেক্টৰ |
| অন্যান্য কাম-কাজ | | | | |

**উৎস ঃ** প্ৰফ'ৰ্মা-৩, তালিকা-৩.৯/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

এইদৰে ৰংপথাৰ জে এফ এম চি-ৰ বনাঞ্চল এলেকাত নিৰাময় কাম-কাজৰ বাবে নিম্নোক্ত প্ৰস্তাৱসমূহ দিয়া হৈছেঃ

ক) বীজ সিঁচা

খ) শিপা আৰু অংকুৰ কটা আৰু ৰোপণ

**৪.৩। বনাঞ্চল উন্নয়ন পৰিকল্পনা— অগ্ৰিম কাম-কাজ আৰু বন সৃষ্টি**

ওপৰত উল্লেখ কৰা বিষয়সমূহৰ সৈতে সংশ্লিষ্ট বিষয়বোৰ তলৰ তালিকাত উল্লেখ কৰা হ'ল।

**তালিকা- ১০ ঃ ৰংপথাৰ জে এফ এম চি-ৰ বনাঞ্চল উন্নয়ন পৰিকল্পনা**

| নিৰাময় ব্যৱস্থা | ৰোপণৰ বাবে হেক্টৰ হিচাপত ৰোপণ মডিউল | ব্লক ৰোপণৰ বাবে অগ্ৰাধিকাৰ | প্ৰজাতি | স্থান ব্যৱধান (মিটাৰ × মিটাৰ) |
|---|---|---|---|---|
| প্ৰাকৃতিকভাৱে পুনৰুজ্জীৱিতকৰণত সহায়তা (ৰোপণৰ স্থান ব্যৱধানসহ) | ৩০-৩৫ | উচ্চ | শাল, বহেৰা, অৰ্জুন | ৪×৪ |
| ব্লক ৰোপণ (কাঠখৰি) | ২৫ | উচ্চ | চেগুণ, গমাৰি, ছিছু, ঘোঁৰানিম, বহেৰা, ভেলকৰ | ২×২ |
| নিম, আমলখি, মহুৱা বহেৰা (ভেষজ উদ্ভিদ)ৰ বীজ সিঁচা | নাই | নাই | এন টি এফ পি | ২×২ |
| অন্যান্য | — | — | — | — |
| **মুঠ এলেকা (হেক্টৰ)** | ৬০ হেক্টৰ | — | — | — |

**উৎস ঃ** প্ৰফৰ্মা-৩, তালিকা-৩.৮/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

**৪.৪। বনাঞ্চল উন্নয়ন — বাৰ্ষিক লক্ষ্য মাত্ৰা**

ওপৰৰ পৰিপ্ৰেক্ষিতত দহ বছৰ সময়সীমাৰ বাবে বাৰ্ষিক লক্ষ্য তলত দিয়া হ'ল—

**তালিকা-১০ (ক) ঃ কাঠখৰি ৰোপণ-**

**ৰংপথাৰ জে এফ এম চি-ত বন উন্নতকৰণৰ বাৰ্ষিক লক্ষ্যমাত্ৰা (বছৰ-১-৫)**

| | |
|---|---|
| ৰোপণৰ নাম | ঃ কাঠখৰি ৰোপণ |
| ৰোপণৰ সময়সীমা | ঃ ২০১৬-১৭ৰ পৰা ২০২০-২১ (৫ বছৰ) |
| ৰোপণৰ এলেকা | ঃ ৫০ হেক্টৰ |
| স্থান ব্যৱধান | ঃ ২×২ মিটাৰ, প্ৰতি হেক্টৰত ২৫০০ পুলি |
| খণ্ডৰ সংখ্যা | ঃ ১টা খণ্ড |
| প্ৰজাতি | ঃ চেগুণ, আজাৰ, কৰৈ, অৰ্জুন, ঘোঁৰানিম, বাঁহ (জাতি, কেঁকো, ভলুকা, বিজুলী) |

